অসম বিধান সভা

তৰা বিহিন প্ৰশ্ন নং : ১০

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **ধুবুৰীৰ সেনপাৰাত ৰে’লৱে ক্ৰছিঙৰ উৰণীয়া সেঁতু নিৰ্মাণ ।**

বিধায়িকা : শ্ৰীমতী বেবী বেগম :

মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ধুবুৰীৰ বিদ্যাপাৰাৰ পৰা ঝগৰাৰপাৰস্থিত মেডিকেল কলেজ আৰু বি অ’ চি ম'ৰৰ পৰা কলেজ ৰোড হৈ ধৰ্মশালালৈ যোৱা পথত সেনপাৰাত থকা ৰে'লৱে ক্ৰছিঙত তীব্ৰ যানজঁটৰ সৃষ্টি হোৱা সমস্যাৰ বিষয়ে চৰকাৰ অৱগত নে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব ।)

(খ) যদি হয়, উক্ত স্থানত থকা ৰে'লৱে ক্ৰছিঙত উৰণীয়া সেতু নিৰ্মাণ কৰি দুয়োটা পথৰ যাতায়াত সুচল কৰাৰ লগতে সঘনাই সংঘটিত দূৰ্ঘটনা প্ৰতিৰোধৰ ব্যৱস্থা কৰা হ'বনে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব ।)

(গ) উক্ত দুয়োটা পথত হোৱা ব্যাপক যানজঁটৰ সমস্যা দূৰ কৰিবলৈ ৰে'লৱে ক্ৰছিঙৰ উৰণীয়া সেতুখন চাৰি শাখাযুক্ত কৰাৰ বিষয়ে বিবেচনা কৰা হ'বনে ?

(ঘ) উৰণীয়া সেতুখন নিৰ্মাণৰ সমান্তৰালকৈ ধুবুৰীৰ বি অ’ চি, ম'ৰৰ পৰা ধৰ্মশালালৈ যোৱা পথৰ লগতে ধুবুৰীৰ কাচাৰীঘাটৰপৰা বিদ্যাপাৰা, বৌবাজাৰ, সেনপাৰা, ৰামকৃষ্ণ মিছন, ঝগৰাৰপাৰস্থিত মেডিকেল কলেজ হৈ ঝগৰাৰপাৰস্থিত ডি কে পথলৈ দ্বৈত শাখাযুক্ত সুচল পথলৈ উন্নীত কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব ।)

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) হয়, বিভাগ অৱগত।

(খ) বিষয়টোৰ সন্দৰ্ভত ৰেল বিভাগৰ লগত যোগাযোগ কৰা হৈছে আৰু লোকনিৰ্মাণ বিভাগ তথা ৰেল বিভাগৰ বিষয়াবৰ্গৰ দ্বাৰা এটি যৌথ জৰীপ কৰা হৈছে। সেয়েহে উক্ত স্থানত ROB নিৰ্মাণৰ বাবে বিস্তৃত Feasibility Report প্ৰস্তুত কৰি থকা হৈছে।

(গ) Feasibility Report পৰীক্ষা নিৰীক্ষা কৰি উপযুক্ত পদক্ষেপ লোৱা হ'ব।

(ঘ) উক্ত পথটো বহলীকৰণৰ সিদ্ধান্ত বিভিন্ন কাৰক (Factor) যেনে Feasibility, Land Availability, Traffic Intensity, Fund Availability, Priority, etc. ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰিব ।

(The Reply uploaded in the Portal)

---ooo---